# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 08-10-2023
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কৈছে যে, সন্ত্ৰাসবাদক দেশৰ পৰা পুলিয়ে পোখাই উৎখাট কৰাৰ সময় আহি পৰিছে।

২। কেন্দ্ৰীয় আয়ুষ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে অসমত ৬ খন নতুন আয়ুষ চিকিৎসালয় স্থাপন কৰা হ'ব বুলি ঘোষণা কৰিছে।

৩। ছিকিমত আকস্মিক বানৰ ফলত মৃত্যু হোৱা লোকৰ সংখ্যা ৩০লৈ বৃদ্ধি পাইছে।

৪। মধ্য প্ৰাচ্যৰ দক্ষিণ আৰু মধ্য ইজৰাইলত কালি পেলেষ্টানৰ উগ্ৰপন্থী গোট হামাচে অতৰ্কিতে কৰা ৰকেট আক্ৰমণৰ ঘটনাত কমেও ১৫০ জন লোক নিহত হৈছে।

*আৰু*

৫। চীনৰ হাচ'অ'ত অনুষ্ঠিত এছিয়ান গেমছত ভাৰতে ২৮টা সোণ, ৩৮টা ৰূপ আৰু ৪১টা ব্ৰঞ্জসহ মুঠ ১০৭টা পদক লাভ কৰি অভিলেখ গঢ়িছে।

ooooo

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কৈছে যে, সন্ত্ৰাসবাদক দেশৰ পৰা পুলিয়ে পোখাই উৎখাট কৰাৰ সময় আহি পৰিছে। তেওঁ কয় যে, সন্ত্ৰাসবাদৰ সন্মুখীন হোৱাৰ বাবে আমি শূন্য সহনশীলনতাৰ নীতিৰে আগবাঢ়িব লাগিব। উত্তৰাখণ্ডৰ ডেৰাডুনত কালি ৪৯ সংখ্যক সৰ্বভাৰতীয় আৰক্ষী বিজ্ঞান মহাসভাক সম্বোধন কৰি মন্ত্ৰীগৰাকীয়ে এইদৰে প্ৰকাশ কৰে। শ্ৰীশ্বাহে কয় যে, ভাৰতৰ প্ৰগতিৰ বাবে দেশত আইন-শৃংখলা, অভ্যন্তৰীণ সুৰক্ষা আৰু সীমান্ত সুৰক্ষা ব্যৱস্থা সুদৃঢ় কৰিবই লাগিব। তেওঁ কয় যে, বিগত ৯ বছৰত কেন্দ্ৰীয় চৰকাৰে জম্মু-কাশ্মীৰ, বাওপন্থী সন্ত্ৰাসবাদ প্ৰভাৱিত এলেকা আৰু উত্তৰ-পূৰ্বাঞ্চলৰ আইন-শৃংখলা পৰিস্থিতি উন্নত কৰাৰ ক্ষেত্ৰত চকুত লগা ধৰণৰ সাফল্য অৰ্জন কৰিছে। বাওপন্থী উগ্ৰবাদ প্ৰভাৱিত এলেকাসমূহত হিংসা হ্ৰাস পোৱাৰ বাবে উন্নয়নে গতি লাভ কৰিছে বুলি শ্ৰীশ্বাহে প্ৰকাশ কৰে। ইয়াৰ পূৰ্বে কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে তেহৰি জিলাৰ নৰেন্দ্ৰ নগৰত আয়োজিত কেন্দ্ৰীয় আঞ্চলিক পৰিষদৰ ২৪ সংখ্যক বৈঠকত অধ্যক্ষতা কৰে।

ooooo

কেন্দ্ৰীয় আয়ুষ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে অসমত ৬ খন নতুন আয়ুষ চিকিৎসালয় স্থাপন কৰা হ'ব বুলি ঘোষণা কৰিছে। মাজুলীত কালি ৰাষ্ট্ৰীয় আয়ুষ অভিযানৰ অধীনত স্থাপন কৰা ৰাজ্যৰ দ্বিতীয়খন আয়ুৰ্বেদিক চিকিৎসালয় উদ্বোধন কৰি মন্ত্ৰীগৰাকীয়ে এই কথা ঘোষণা কৰে। ইয়াৰ ভিতৰত ৪ খন ৫০ খন বিচনাযুক্ত চিকিৎসালয় কলিয়াবৰ, মৰিগাঁও, কোকৰাঝাৰ আৰু বাক্সাত স্থাপন কৰা হ'ব বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। আনহাতে, ৩০ খন বিচনাযুক্ত এখন চিকিৎসালয় ডিফুত আৰু আন এখন ১০ খন বিচনাযুক্ত চিকিৎসালয় বজালীত স্থাপন কৰা হ'ব বুলি মন্ত্ৰীগৰাকীয়ে ঘোষণা কৰে। ইয়াৰ লগতে অসমত ২৮৯টা আয়ুষ স্বাস্থ্য আৰু কল্যাণ কেন্দ্ৰ কাৰ্যক্ষম হৈ আছে বুলি শ্ৰীসোণোৱালে জানিবলৈ দিয়ে। তদুপৰি দুশটা অতিৰিক্ত এনে কেন্দ্ৰ শীঘ্ৰেই স্থাপন কৰা হ'ব বুলিও মন্ত্ৰীগৰাকীয়ে কয়। ৰাজ্যৰ প্ৰতিখন জিলাতে মুঠ এশখন আয়ুষ ঔষধ কেন্দ্ৰ মুকলি কৰা হ'ব বুলিও মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। শ্ৰীসোণোৱালে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত দেশত পৰম্পৰাগত ঔষধ আৰু স্বাস্থ্যসেৱা খণ্ডত যথেষ্ট উন্নতি হোৱা পৰিলক্ষিত হৈছে।

০০০০০

অসম চৰকাৰে আজি বিয়লি গুৱাহাটীত এহেজাৰ ১৮২ জন আদিবাসী উগ্ৰপন্থীক ৪ লাখ টকাকৈ প্ৰদান কৰিব। এই উগ্ৰপন্থী কেইজন আদিবাসী কোব্ৰা মিলিটাৰী অব্ আসাম, অল আদিবাসী নেচনেল লিবাৰেচন আৰ্মী, বিৰছা কামাণ্ডো ফ'ৰ্চ, আদিবাসী পিপলচ আৰ্মী আৰু চান্থাল টাইগাৰ ফ'ৰ্চ নামৰ ৫টা উগ্ৰপন্থী সংগঠনৰ সদস্য। তেওঁলোকে যোৱা জুলাইত অস্ত্ৰ সম্বৰণ কৰিছিল আৰু অসম চৰকাৰৰ সৈতে ত্ৰিপাক্ষিক চুক্তিত স্বাক্ষৰ কৰিছিল। মুখ্যমন্ত্ৰী ডº হিমন্ত বিশ্ব শৰ্মাই আজি এই সদস্য কেইগৰাকীক ৪ লাখ টকাৰ চেক্ প্ৰদান কৰিব। অসমৰ মুখ্য সচিব, আৰক্ষী সঞ্চালক প্ৰধান, অতিৰিক্ত আৰক্ষী সঞ্চালক প্ৰধান আৰু ভালে সংখ্যক বিশিষ্ট ব্যক্তি অনুষ্ঠানত উপস্থিত থাকিব।

০০০০০

টাঞ্জানিয়াৰ ৰাষ্ট্ৰপতি চামিয়া চুলুহু হাছান আজি চাৰিদিনীয়া ভ্ৰমণসূচীৰে নতুন দিল্লীত উপস্থিত হ'ব। এই ভ্ৰমণ কালত অভ্যাগত ৰাষ্ট্ৰপতিগৰাকীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতে দ্বিপক্ষিক আলোচনাত মিলিত হ'ব আৰু বুজাবুজিৰ চুক্তিৰ বিনিময় কৰিব। বিদেশ মন্ত্ৰ্যালয়ে কৈছে যে, টাঞ্চানিয়াৰ ৰাষ্ট্ৰপতিগৰাকীক কাইলৈ ৰাষ্ট্ৰপতি ভৱনত আনুষ্ঠানিকভাৱে অভ্যৰ্থনা জনোৱা হ'ব আৰু পাছত তেওঁৰ ৰাজঘাটত আয়োজিত পুষ্পাৰ্ঘ্য অনুষ্ঠানত অংশগ্ৰহণ কৰিব। ইয়াৰ পাছত তেওঁ প্ৰধানমন্ত্ৰী মোদীক সাক্ষাৎ কৰিব আৰু দুয়ো দেশৰ মাজত বুজাবুজিৰ চুক্তি বিনিময় কৰা হ'ব। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ৰাষ্ট্ৰপতি ভৱনত টাঞ্জানিয়াৰ ৰাষ্ট্ৰপতিগৰাকীৰ সৈতে এখন আনুষ্ঠানিক বৈঠকত মিলিত হ'ব বুলি মন্ত্ৰ্যালয়ে প্ৰকাশ কৰিছে।

০০০০০

ছিকিমত আকষ্মিক বানৰ ফলত মৃত্যু হোৱা লোকৰ সংখ্যা ৩০লৈ বৃদ্ধি পাইছে। এই পৰ্য্যন্ত ৮১ জন লোক সন্ধানহীন হৈ আছে। ৰাজ্যখনত মুঠ এহেজাৰ ৩২০টা গৃহ বেয়াকৈ ক্ষতিগ্ৰস্ত হৈছে আৰু ডাৱৰ বিস্ফোৰণৰ ফলত তিস্তা নৈৰ জলস্তৰ বৃদ্ধি পোৱাৰ বাবে সৃষ্টি হোৱা আকস্মিক বানে ১৩ খন দলং উটুৱাই নিছে। ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত দুৰ্গত ৰাইজৰ বাবে ৩০টা সাহায্য শিৰিৰ মুকলি কৰা হৈছে। এই শিৰিৰ সমূহত ৭ হাজাৰ অধিক লোকে আশ্ৰয় লৈ আছে। ছিকিমৰ মুখ্যমন্ত্ৰী প্ৰেম সিং টামাঙে কালি মংগন জিলাৰ বান ক্ষতিগ্ৰস্ত নাগা এলেকা পৰিদৰ্শন

কৰে। পৰিদৰ্শন কালত মুখ্যমন্ত্ৰীগৰাকীয়ে জনসাধাৰণলৈ সকলো ধৰণৰ সহায়-সাহায্য  আগবঢ়োৱাৰ আশ্বাস প্ৰদান কৰে।

ইপিনে, কেন্দ্ৰীয় গৃহ ৰাজ্য মন্ত্ৰী অজয় কুমাৰ মিশ্ৰাই কালি গেংটকৰ তাছিলিং সচিবালয়ত ছিকিমৰ মুখ্য সচিব, বিভিন্ন বিভাগ, সেনা আৰু অন্যান্য সংস্থাৰ সৈতে বৈঠকত মিলিত হয়। বৈঠকত শ্ৰীমিশ্ৰাই কয় যে, কেন্দ্ৰীয় চৰকাৰে ছিকিমৰ পৰিস্থিতি সূক্ষ্মভাৱে নিৰীক্ষণ কৰি আছে আৰু ৰাজ্যখনলৈ সকলো ধৰণৰ প্ৰয়োজনীয় সাহায্য আগবঢ়োৱা হৈছে। শ্ৰীমিশ্ৰাই লগতে বানত বেয়াকৈ ক্ষতিগ্ৰস্ত হোৱা ৰাংপো আৰু বৰদাং এলেকা পৰিদৰ্শন কৰে।

ooooo

মধ্য প্ৰাচ্যৰ দক্ষিণ আৰু মধ্য ইজৰাইলত কালি পেলেষ্টাইনৰ উগ্ৰপন্থী গোট হামাচে অতৰ্কিতে কৰা  ৰকেট আক্ৰমণৰ ঘটনাত কমেও ১৫০ জন লোক নিহত হোৱাৰ লগতে এহজাৰ ১০০ৰো অধিক লোক আহত হৈছে। আমালৈ অহা বাতৰি অনুসৰি ইজৰাইৰ মেয়ৰ আৰু শ্বাৰ হানেগেৰ আঞ্চলিক পৰিষদৰ মুৰব্বী অৰ্ফি লিবষ্টিনো এই ভয়াৱহ আক্ৰমণত নিহত হৈছে। চৰকাৰী সূত্ৰৰ উদ্ধৃতি দি ইজৰাইলৰ সংবাদ মাধ্যমে প্ৰকাশ কৰা মতে সন্ত্ৰাসবাদী গোটটোৱে ইজৰাইলৰ ভালে সংখ্যক লোকক গাজাত আবদ্ধ কৰি ৰাখিছে। এই সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি দেশখনৰ প্ৰধানমন্ত্ৰী বেঞ্জামিন নেতান্যাহুৱে কৈছে যে, ইজৰাইলত বৰ্তমান যুদ্ধ সদৃশ পৰিৱেশ সৃষ্টি হৈছে আৰু দেশখন এই যুদ্ধত জয়ী হ'বলৈ সমৰ্থন হ'ব।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ইজৰাইলৰ সন্ত্ৰাসবাদী আক্ৰমণক লৈ গভীৰ শোক প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ এটা পোষ্টত শ্ৰীমোদীয়ে কয় যে, ভাৰত এই আক্ৰমণৰ বলি হোৱা নিৰীহ লোক আৰু তেওঁলোকৰ পৰিয়ালৰ সৈতে আছে। শ্ৰীমোদীয়ে কয় যে, ভাৰত এই সংকটৰ সময়ত ইজৰাইলৰ জনসাধাৰণৰ সৈতে ঐক্যবদ্ধভাৱে থিয় হৈ আছে।

ooooo

চীনৰ হাচ'অ'ত অনুষ্ঠিত এছিয়ান গেমছত ভাৰতে ২৮টা সোণ, ৩৮টা ৰূপ আৰু ৪১টা ব্ৰঞ্জসহ মুঠ ১০৭টা পদক লাভ কৰি অভিলেখ গঢ়িছে। ভাৰতে কালি প্ৰতিযোগিতাৰ চতুৰ্দশ দিনা ৬টা সোণ, চাৰিটা ৰূপ আৰু দুটা ব্ৰঞ্জৰ পদক অৰ্জন কৰে। ভাৰতে কাবাডী, বেডমিণ্টন, ক্ৰিকেট আৰু আৰ্চাৰীৰ বিভিন্ন শিতানত এই স্বৰ্ণ পদককেইটা হস্তগত কৰে। পুৰুষৰ ক্ৰিকেটত ভাৰত আৰু আফগানিস্তানৰ মাজত ফাইনেল খেলখন বৰষুণৰ বাবে পৰিতক্ত ঘোষণা কৰিবলগীয়া হয়। ইয়াৰ পাছত আই চি চিৰ ৰেংকিঙৰ ভিত্তিত ভাৰতৰ জয়ী ঘোষণা কৰা হয়। একেদৰে কাবাডীৰ পুৰুষ আৰু মহিলা শাখাতে ভাৰতে স্বৰ্ণ পদক অৰ্জন কৰে। ভাৰতৰ পুৰুষ দলে ফাইনেলত ইৰাণক পৰাভূত কৰাৰ বিপৰীতে মহিলা দলে চীনা টাইপেইক পৰাস্ত কৰি স্বৰ্ণ পদক দখল কৰে। পুৰুষৰ বেডমিণ্টনৰ ডাবলছত ভাৰতৰ চিৰাগ চেট্টী আৰু সাত্বিক সাইৰাজ ৰণকি ৰেড্ডীৰ যুটীটোৱে সোণৰ পদক অৰ্জন কৰিছে। এছিয়াডত বেডমিণ্টনত এয়া ভাৰতৰ প্ৰথম সোণৰ পদক। ফাইনেলত যুটীটোৱে দক্ষিণ কোৰিয়াৰ প্ৰতিযোগীক ২১-১৮, ২১-১৬ৰ ব্যৱধানত পৰাজিত কৰে। ভাৰতৰ পুৰুষ আৰু মহিলাৰ ডবা দল দুটাই ৰূপৰ পদক অৰ্জন কৰিছে। আনহাতে, মল্লযুঁজত দীপক পুনিয়াই পুৰুষৰ ৮৬ কিলোগ্ৰাম ফ্ৰী ষ্টাইল শাখাত আৰু পুৰুষৰ কম্পাউণ্ড আৰ্চাৰী দলে ৰূপৰ পদক লাভ কৰে। একেদৰে পুৰুষৰ ব্যক্তিগত কম্পাউণ্ড আৰ্চাৰীৰ ফাইনেলত অ'জাছ ডেওতালে সোণ আৰু অভিষেক বাৰ্মাই ৰূপৰ পদক লাভ কৰে। নিচেই পুৱাতে ভাৰতে মহিলাৰ ব্যক্তিগত শাখাৰ

কম্পাউণ্ড আৰ্চাৰীত সোণ আৰু ৰূপৰ পদক লাভ কৰে। জ্যোতি সুৰেখা ভেনমে দক্ষিণ কোৰিয়াৰ ছিউৰন ছ'ক পৰাজিত কৰি সোণৰ পদক হস্তগত কৰে। আনহাতে অদিতি গোপীছান্দ স্বামীয়ে এই শাখাত ব্ৰঞ্জৰ পদক লাভ কৰে।

০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এছিয়ান গেমছৰ কাবাডীত সোণৰ পদক অৰ্জন কৰাৰ বাবে ভাৰতৰ কাবাডী দলটোক অভিনন্দন জনাইছে। সামাজিক মাধ্যমৰ এটা পোষ্টত শ্ৰীমোদীয়ে কয় যে, তেওঁলোকৰ সংকল্প আৰু দলীয় প্ৰদৰ্শনে দেশলৈ গৌৰৱ কঢ়িয়াই আনিছে। শ্ৰীমোদীয়ে লগতে মল্লযুঁজত পুৰুষৰ ৮৬ কিলোগ্ৰাম ওজন শাখাত ৰূপৰ পদক অৰ্জন কৰা দীপক পুনিয়াক প্ৰশংসা কৰি কয় যে, তেওঁক সংকল্প আৰু মনোবল সঁচাকৈয়ে প্ৰেৰণাদায়ক।

প্ৰধানমন্ত্ৰীয়ে সোণৰ পদক অৰ্জন কৰা পুৰুষ ক্ৰিকেট দলটোক অভিনন্দন জনাই এই জয়ক ঐতিহাসিক বুলি অভিহিত কৰে।

ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে নিজৰ শুভেচ্ছা বাৰ্তাত কয় যে, দেশলৈ মুঠ ১০৭টা পদক কঢ়িয়াই আনি ক্ৰীড়াক্ষেত্ৰত উৎকৃষ্ঠতাৰ নতুন মাপকাঠি স্থাপন কৰিবলৈ সমৰ্থ হোৱা খেলুৱৈসকলক লৈ সমগ্ৰ দেশ গৌৰৱান্বিত।

০০০০০

দক্ষিণ আফ্ৰিকাই কালি নতুন দিল্লীৰ অৰুণ জেট্‌লী ষ্টেডিয়ামত অনুষ্ঠিত বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত শ্ৰীলংকাক ১০২ ৰানত পৰাস্ত কৰে। খেলখনত দক্ষিণ আফ্ৰিকাই প্ৰথমে বেট ধৰি ৫ উইকেটৰ বিনিময়ত ৪২৮ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰ শ্ৰীলংকাই ৪৪ অভাৰ আৰু ৫টা বলত আটাইকেইটা উইকেট হেৰুৱাই ৩২৬ ৰানহে কৰিবলৈ সমৰ্থ হয়।

০০০০০

**সমাপ্ত**